# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 01-10-2025
**Time :** 1715 Hrs.

## *Assamese Evening Bulletin*

০০০০০০০

জনতাৰ প্ৰিয় শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত যোৱানিশা এছ আই টিয়ে গ্ৰেপ্তাৰ কৰা অভিযুক্ত শ্যামকানু মহন্ত আৰু শিল্পীজনৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাক আজি পুৱা মুখ্য ন্যায়িক দণ্ডাধীশৰ সন্মুখত হাজিৰ কৰোৱা হয়। দণ্ডাধীশে দুয়োকে ১৪ দিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰে। উল্লেখযোগ্য যে আজি আদালত বন্ধ থকা হেতুকে অভিযুক্ত দুজনক মুখ্য ন্যায়িক দণ্ডাধীশৰ বাসভৱনত হাজিৰ কৰোৱা হয়।

জনপ্ৰিয় শিল্পীগৰাকীৰ ছিংগাপুৰত আচহুৱা পৰিস্থিতিত মৃত্যুৰ ঘটনাৰ তদন্তৰ বাবে অসম চৰকাৰে গঠন কৰা এছ আই টিয়ে চি আই ডিৰ কাৰ্যালয়ত ইতিমধ্যে এই ঘটনাৰ কেইবাগৰাকী প্ৰত্যক্ষদৰ্শীক জেৰা কৰিছে। ছিংগাপুৰলৈ শিল্পীগৰাকীৰ সৈতে যোৱা সহশিল্পী অমৃতপ্ৰভা মহন্ত, বাদ্যযন্ত্ৰী শেখৰজ্যোতি গোস্বামী, আৰক্ষী বিষয়া সন্দীপন গাৰ্গ আৰু ব্যৱসায়ী সঞ্জীৱ নাৰায়ণক শিল্পীগৰাকীৰ মৃত্যুৰ ঘটনাৰ সন্দৰ্ভত ইতিমধ্যে সোধা-পোছা কৰা হৈছে। এই বিষয়ত চৰজমিন তদন্ত কৰিবলৈ অসম আৰক্ষীৰ অপৰাধ অনুসন্ধানৰ শাখাৰ এটা দল ছিংগাপুৰলৈ ৰাওনা হৈছে।

ইপিনে শিল্পীগৰাকীৰ গৃহনগৰী যোৰহাটত আজি ৰাজহুৱা আদ্যশ্ৰাদ্ধ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। যোৰহাট ষ্টেডিয়ামত আয়োজন কৰা এই অনুষ্ঠানত সৰ্বধৰ্ম প্ৰাৰ্থনা, গায়ন-বায়ন, দিহানাম ইত্যাদি পৰিৱেশনেৰে জনতাৰ শিল্পীগৰাকীলৈ শেষ শ্ৰদ্ধা জনোৱা হয়। অগণন গুণমুগ্ধই পৰিয়ালৰ উপস্থিতিত এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশগ্ৰহণ কৰি অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ গ্ৰেপ্তাৰ সন্দৰ্ভত শিল্পীগৰাকীৰ পত্নী গৰিমা শইকীয়া গাৰ্গে এনেদৰে কয়।

**বাইট (গৰিমা গাৰ্গ)**

০০০০০০০

শাৰদীয় দুৰ্গাপূজাৰ আজি মহা নৱমীত দেৱীক সিদ্ধিদাত্ৰী ৰূপত পূজা-অৰ্চনা কৰা হয়। দেৱীৰ এই ৰূপে আধ্যাত্মিক জ্ঞান আৰু মহৎ শক্তিক প্ৰতিফলিত কৰে।

জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ বিয়োগত ৰাজ্যজুৰি সৃষ্টি হোৱা শোকাকুল পৰিস্থিতিৰ মাজতে পৰম্পৰা ৰক্ষা কৰি জনসাধাৰণে মহিষ মৰ্দিনীৰ আৰাধনা কৰিছে। ৰাজ্যৰ প্ৰতিখন পূজা মণ্ডপতে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে তেওঁৰ গান শুনিবলৈ পোৱা গৈছে। গুৱাহাটী, লখিমপুৰ, বিজনীৰ দৰে ভালেসংখ্যক চহৰত শিল্পীগৰাকীৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি মণ্ডপসমূহ সজাই-পৰাই তোলা হৈছে । গুৱাহাটী আৰু আন আন চহৰৰ বহুতো পূজা সমিতিয়ে এইবাৰ শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই আড়ম্বৰপূৰ্ণ সাংস্কৃতিক অনুষ্ঠানসমূহ বাতিল কৰিছে।

শক্তিপীঠ কামাখ্যা ধাম, বেলশৰৰ বিল্বেশ্বৰ দেৱালয়কে ধৰি প্ৰাচীন দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা কৰা হৈছে। আজি বিভিন্ন স্থানত কুমাৰী পূজা সম্পন্ন হয়।

মাৰ্কণ্ডেয় মুনিৰ আশ্ৰমখ্যাত উত্তৰ গুৱাহাটীৰ দীৰ্ঘেশ্বৰী দেৱালয়ত ভক্তসকলে বৈদিক পৰম্পৰাৰে দেৱীক আৰাধনাৰ লগতে পূজা-অৰ্চনা কৰিছে। কামৰূপ জিলাৰ বিভিন্ন অঞ্চলৰ প্ৰাচীন দেৱালয় আৰু অন্যান্য পূজা মণ্ডপসমূহত আজি নৱমী পূজা পৰম্পৰাগত ৰীতি-নীতিৰে কৰা হৈছে।

**ধেমাজি** জিলাৰ চিলাখুটিৰ ঐতিহাসিক শ্ৰীশ্ৰী তাম্ৰেশ্বৰী আই থানতো পৰম্পৰাগত ৰীতি-নীতিৰে আধ্যাত্মিকভাৱে দুৰ্গা পূজা অনুষ্ঠিত হৈছে।

**লখিমপুৰ** জিলাৰ ঢকুৱাখনাত অৱস্থিত শ্ৰীশ্ৰীঈশ্বৰী হাৰ্হি দেৱালয়ে এইবেলি ৩০৩ বছৰত ভৰি দিলে। মহা নৱমী উপলক্ষে এই দেৱালয়ত আজি পুৱাৰে পৰা ভক্তৰ সমাগত পৰিলক্ষিত হৈছে।

**বিশ্বনাথ** জিলাৰ অন্তৰ্গত গহপুৰত অপাৰেচন সিন্দূৰৰ আৰ্হিৰে নিৰ্মাণ কৰা পূজা মণ্ডপে ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰা দেখা গৈছে।

**শিৱসাগৰ** ঐতিহাসিক দেৱী দৌলত পুৰাতন ৰীতিৰে ২৯২ বছৰীয়া দুৰ্গা পূজা পালন কৰা হৈছে। বিগত বৰ্ষসমূহৰ দৰে আনন্দ উছাহ নাই যদিও আধ্যাত্মিকতাৰ মাজেৰে এইবাৰ শাৰদীয় পূজা অনুষ্ঠিত হৈছে।

**বৰাক** উপত্যকাৰ জিলাকেইখনতো শাৰদীয় দুৰ্গাপূজাৰ মহা নৱমী উপলক্ষে আজি পৱিত্ৰ পৰিৱেশে বিৰাজ কৰিছে।

ooooooo

আজি অসম আৰক্ষী দিৱস। জনসাধাৰণৰ শান্তি, সুৰক্ষা আৰু নিৰাপত্তাৰ হকে নিৰৱচ্ছিন্নভাৱে কাম কৰি যোৱা অসম আৰক্ষীৰ বীৰত্ব আৰু সমৰ্পণৰ প্ৰতি সন্মান জনাই এই দিৱস পালন কৰা হয়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অসম আৰক্ষী দিৱস উপলক্ষে আৰক্ষীত কৰ্মৰত সকলো বিষয়া, জোৱানলৈ শুভেচ্ছা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে। তেওঁ কয়, যে জনহিত-জনসেৱা মূলমন্ত্ৰৰে সমাজৰ অতন্দ্ৰ প্ৰহৰী হিচাপে দায়বদ্ধতাৰে কাম কৰি যোৱা আৰক্ষীৰ লোকসকল হৈছে সাহস, ত্যাগ আৰু কৰ্তব্যনিষ্ঠাৰ অম্লান প্ৰতিভূ। মুখ্যমন্ত্ৰী শৰ্মাই দেশ তথা জনসাধাৰণৰ সুৰক্ষাৰ্থে প্ৰাণ আহুতি দিয়া অসম আৰক্ষীৰ প্ৰতিগৰাকী বীৰলৈও গভীৰ শ্ৰদ্ধা জ্ঞাপন কৰে।

উত্তৰ গুৱাহাটীৰ মান্দাকাটাৰ প্ৰথম আৰক্ষী কামাণ্ডো বেটেলিয়ন কেম্পত আজি ৰাজ্যিক ভিত্তিত অসম আৰক্ষী দিৱস পালন কৰা হয়। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু আৰক্ষী সঞ্চালক প্ৰধান হৰমিত সিঙকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আৰক্ষী সঞ্চালক প্ৰধানগৰাকীয়ে তেওঁৰ ভাষণত আৰক্ষী বিষয়া আৰু জোৱানসকলক নিষ্ঠা আৰু সততাৰে নিজৰ দায়ত্ব আৰু কৰ্তব্য পালন কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত আৰক্ষীৰ লোকসকলক শপতবাক্য পাঠ কৰোৱাৰ লগতে সামূহিক পেৰেড আৰু সামৰিক কলা প্ৰদৰ্শন কৰা হয়।

গোৱালপাৰা জিলাৰ সংৰক্ষিত আৰক্ষী ছাউনীতো আজি অসম আৰক্ষী দিৱস পালন কৰা হয়। জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্তৰ অধ্যক্ষতাত আয়োজিত অনুষ্ঠানত পুৱা অসম আৰক্ষীৰ পতাকা উত্তোলন, সংকল্প পাঠ, নৱনিৰ্মিত পেৰেড চৌহদ মুকলি আদিকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়।

ooooooo

**সমাপ্ত**